# আৰ্যসকলৰ অসমলৈ আগমন

ভাৰতবৰ্ষৰ উত্তৰৰ পূব প্ৰান্তত অসম দেশ (ৰাজ্য) অৱস্থিত। অতি প্ৰাচীন কালৰ পৰাই অসমত অষ্ট্ৰিক আৰু মংগোলীয় গোষ্ঠীৰ লোকসকলে বসবাস কৰি আহিছে। পণ্ডিতসকলৰ মতে অসমৰ সৰ্বাতোকৈ আদিম জাতি হ'ল খাচিয়া আৰু জয়ন্তীয়াসকল। অষ্ট্ৰিকসকলৰ পিছত নেগ্ৰিটো জাতিৰ লোকসকল অসমত প্ৰৱেশ কৰে। এওঁলোকৰ পিছত মংগোলীয়সকল অসমলৈ আহে। সেয়েহে কামৰূপ প্ৰধানকৈ অনাৰ্য জাতি অধ্যুষিত দেশ আছিল বুলি ক'লেও বঢ়াই কোৱা নহয়।

খ্ৰীঃ পূঃ পঞ্চদশ শতাব্দীমানত ভাৰতত প্ৰৱেশ কৰা আৰ্যসকলৰ এটা দলে প্ৰাচীন কামৰূপতো প্ৰৱেশ কৰে। আৰ্যসকলৰ অসম আগমন সম্পৰ্কে সঠিক তথ্য পোৱা নগ'লেও খ্ৰীষ্টীয় পঞ্চম শতিকাৰ আগৰ পৰাই আহিছিল বুলি অনুমান কৰিব পাৰি। অৱশ্যে ৰামায়ণ, মহাভাৰত, পুৰাণ আৰু অন্যান্য সাহিত্যত অসম সম্পৰ্কে অসংখ্য উল্লেখ আছে। মহাভাৰতত এই ৰাজ্যখনক প্ৰাগজ্যোতিষ বুলি কোৱা হৈছে। পুৰাণ আৰু তন্ত্ৰসমূহত ই কামৰূপ নামেৰে অভিহিত হৈছে। কালিকাপুৰাণত লিখা আছে যে নৰকে ঘটক কিৰাতক বধ কৰি প্ৰাগজ্যোতিষৰ সিংহাসন অধিকাৰ কৰে। এই কিৰাতসকল প্ৰথম অনুপ্ৰৱেশকাৰী মংগোলীয় আছিল আৰু বড়োসকলতকৈয়ো আগতে অসমত সোমাইছিল বুলি পণ্ডিতসকলে অনুমান কৰে। কালিকা পুৰাণমতে

Scanned with CamScanner

প্ৰাগজ্যোতিষৰ সিংহাসন অধিকাৰ কৰাৰ পিছত- পশ্চিমৰপৰা আৰ্য জাতিৰ মানুহ আনি উত্তৰ ৰাজ্যত বহুৱায়। মহাভাৰতৰপৰা এইটো অনুমান হয় যে ভগদত্ত সম্পূৰ্ণৰূপে আৰ্য সভ্যতাৰ প্ৰভাৱলৈ আহিছিল। বহুতো পণ্ডিতে অনুমান কৰে যে বৈদিক আৰ্যসকল ভাৰতলৈ অহাৰ আগতে আৰ্যসকলৰ এটা ঠাল উত্তৰ পূৰ দিশৰ পৰা অসমত প্ৰৱেশ কৰিছিল। এওঁলোকক আলপাইন আৰ্য নামেৰে অভিহিত কৰা হয়। অসমৰ কলিতাসকল এই আলপাইন আৰ্য জাতিৰেই বংশধৰ বুলি অনুমান কৰা হয়। উত্তৰ পূৰ ভাৰতৰ কৃষ্টি আৰু সভ্যতা গঠনত আলপাইন আৰ্যসকলৰ যথেষ্ট বৰঙণি আছে।

বৰ্মণ বংশৰ প্ৰতিষ্ঠাৰপৰা পুৰণি কামৰূপ ৰাজ্যৰ প্ৰকৃত ৰাজনৈতিক বুৰঞ্জী আৰম্ভ হয় বুলি ক'ব পাৰি। এই বংশৰ আদিৰজাজনৰ নাম আছিল পুষ্যবৰ্মণ। সমুদ্ৰগুপ্তৰ এলাহাবাদৰ শিলালিপিত (প্ৰশস্তি) কামৰূপ ৰাজ্যৰ নাম পোনপ্ৰথম ঐতিহাসিকভাৱে উল্লেখ কৰা পোৱা যায়। কামৰূপৰ ৰজাই সমুদ্ৰ-গুপ্তক সকলো প্ৰকাৰ কৰ কাটল দি বশ্যতা স্বীকাৰ কৰা বুলি উল্লেখ আছে। এই ৰজাজনৰ নাম উল্লেখ নাই যদিও, পুষ্যবৰ্মণ বুলিয়েই অনুমান কৰিব পাৰি। পুষ্যবৰ্মণৰ সময় চতুৰ্থ শতিকাৰ মাজভাগ বুলি অনুমান কৰিব পাৰি। বৰ্মণ বংশৰ ৰজাসকলে চতুৰ্থ শতিকাৰ মাজভাগৰপৰা সপ্তম শতিকাৰ মাজভাগলৈ প্ৰাচীন কামৰূপত ৰাজত্ব কৰিছিল আৰু এওঁলোকৰ যোগেদিয়েই আৰ্য সংস্কৃতি প্ৰচাৰ হৈছিল।

Scanned with CamScanner

## অসমীয়া ভাষা-সম্প্ৰদায়ৰ গঠন ঃ

একে ধৰণৰ ধ্বনি, শব্দ-গঠন প্ৰণালী আৰু শব্দমালা ব্যৱহাৰ কৰা কোনো জনসমষ্টিক ভাষা-সম্প্ৰদায় বোলা হয়। অসমীয়া ভাষা সম্প্ৰদায় বুলিলে অসমীয়া ভাষা নিজৰ মাতৃভাষা বা দ্বিতীয় ভাষা হিচাপে-ব্যৱহাৰ কৰা বৃহৎ জনসমষ্টিটোক বুজোৱা হয়। প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ ক্ৰমবিৱৰ্তনৰ ফলস্বৰূপে অসমীয়া ভাষাৰ জন্ম হয়। ড° বাণীকান্ত কাকতি, ড° সুনীতিকুমাৰ চট্টোপাধ্যায়, গ্ৰীয়াৰ্ছন আদি পণ্ডিতসকলৰ মতে মাগধী প্ৰাকৃতৰ প্ৰাচ্য অপ-ভ্ৰংশৰপৰা অসমীয়া ভাষাৰ উদ্ভৱ হয়। অসমীয়া ভাষাটো আৰ্যমূলীয় হ'লেও অসমীয়া ভাষাৰ গঠন-পদ্ধতিটোক এক সুকীয়া ৰূপ দিয়াৰ ক্ষেত্ৰত অসম আৰু অসমৰ ওচৰ-পাজৰে, পৰ্বতে-ভৈয়ামে থকা জনজাতীয় ভাষাবোৰে অসমীয়া ভাষাক নানা ধৰণৰ সম্ভাৰেৰে পুষ্ট কৰিছিল। অস্ট্ৰিক আৰু চীন তিব্বতীয় পৰিয়ালৰ বিভিন্ন ভাষাৰ পৰিৱেষ্টনৰ মাজত সোমাই অসমীয়া ভাষাটো বিকাশৰ পথত আগবাঢ়িছিল।

বিভিন্ন জাতি-জনগোষ্ঠীৰ ভাষাৰ উপাদানেৰে সমৃদ্ধ হোৱা অসমীয়া ভাষাই জন্মলগ্নৰ পাছৰ পৰাই সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলত সংযোগী ভাষা ৰূপে এক বৃহৎ অসমীয়া ভাষা সম্প্ৰদায় গঢ়ি তুলিছিল। অসমৰ বৰ্ণহিন্দু ব্ৰাহ্মণ, কলিতা, কায়স্থ, কেওট - আদি

সকলো সম্প্ৰদায়ৰে মাতৃভাষা অসমীয়া। অসমৰ-
বিভিন্ন জনগোষ্ঠীসকলে ঘৰৰ ভিতৰত বা নিজা
জনগোষ্ঠীটোৰ ভিতৰত তেওঁলোকৰ নিজৰ ভাষাত
কথা ক'লেও অন্য জনগোষ্ঠীৰ লগত কথা পাতিব
লগা হ'লে অসমীয়া ভাষা ব্যৱহাৰ কৰে। অসমৰ
বহুতো জনজাতিয়ে নিজৰ দোৱানৰ সলনি অসমীয়া
ভাষাটোকেই মাতৃভাষা হিচাপে গ্ৰহণ কৰে। অসমৰ
ওচৰ-পাজৰৰ যেনে মেঘালয়, নাগালেণ্ড আৰু অৰুণা-
চল প্ৰদেশতো অসমীয়া ভাষাৰ প্ৰচলন আছে।
অৰুণাচলৰ বিভিন্ন ভাষা-ভাষীৰ মাজত পাৰস্পৰিক
ভাব-বিনিময়ৰ একমাত্ৰ ভাষা হিচাপে অসমীয়া ভাষা আজি
কিছু বছৰ আগলৈকে এক শক্তিশালী অৱস্থানত আছিল।
নাগালেণ্ডত অসমীয়াৰ এটা মিশ্ৰিত ৰূপ (নাগামিজ)
সাৰ্বজনীন ভাষাৰূপে ব্যৱহৃত হৈছে। ইংৰাজ ৰাজত্বৰ
সময়ত অসমলৈ অহা পূৰ্ববংগীয় মূলৰ মুছলমানসকলে
ঘৰুৱা জীৱনত বাংলা ভাষা ব্যৱহাৰ কৰিলেও মাতৃ-
ভাষা হিচাপে অসমীয়া ভাষাটোকেই গ্ৰহণ কৰিছে।
চাহ-বাগানত কাম কৰা বনুৱাসকলেও অসমীয়া ভাষা-
টোকেই আন্তৰিকতাৰে গ্ৰহণ কৰিছে। প্ৰয়োজনৰ তাগিদাত
ভাৰতৰ বিভিন্ন প্ৰান্তৰপৰা অসমলৈ অহা লোক-
সকলে অসমীয়া ভাষাও সুন্দৰভাৱে আয়ত্ত কৰিছে।
মুঠতে অসমত বাস কৰা যিসকল লোকে যুগ যুগ ধৰি
অসমীয়া ভাষা ব্যৱহাৰ কৰিছে আৰু যিসকলে নতুনকৈ
গ্ৰহণ কৰি অসমীয়া ভাষী হৈছে, সেইসকলেই অসমীয়া ভাষা সম্প্ৰদায়।

Scanned with CamScanner